জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৬/২০২০

# বিশিষ্ট সমাজকৰ্মী দেৱেন লেখাৰুৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৩ মে'ঃ** বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিক, নাট্যকৰ্মী দেৱেন লেখাৰুৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত দেৱেন লেখাৰুৱে বিহপুৰীয়া অঞ্চলৰ সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া অঞ্চলটোৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী ৰাজনীতিক হিচাপেও তেওঁ অঞ্চলটোৰ উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত জড়িত আছিল। এগৰাকী সমাজকৰ্মী হিচাপে বিভিন্ন জনহিতকৰ কাম-কাজত জড়ি থকাৰ লগতে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো ওতপ্ৰোতভাৱে জড়িত আছিল। এগৰাকী নাট্যকৰ্মী হিচাপে অঞ্চলটোৰ নাট্যকলাৰ বিকাশৰ ক্ষেত্ৰতো তেওঁ যথেষ্ট অৱদান আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ অঞ্চলটোৰ সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দেৱেন লেখাৰুৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**১৩/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in